# যোহন বাপ্তাইজ মন পালটনৰ কাৰণে লোকবিলাকক আহ্বান কৰিছিল

ল’ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন R3b পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** “স্বৰ্গত থকা হে পিতৃ, পাপী লোকক মন পালটনৰ বাবে সহায় কৰি খ্ৰীষ্টলৈ আনিবলৈ যোহন বাপ্তাইজৰ দৰে হ’বলৈ আমাক সহায় কৰক।” আৰু পাপত আঁতৰি থকা বিশ্বাসী সকলক মৰমেৰে উদ্ধাৰ কৰিবলৈ আমাক সহায় কৰক।

**১। ঈশ্বৰৰ বাক্যৰে আপোনাৰ অন্তৰ যুগুত কৰক**

লূক ৩ঃ১-১৮ পদত চাওক, কেনেকৈ যোহন বাপ্তাইজে হাজাৰ হাজাৰ পাপীক মন পালটনলৈ আনিছিল।

- লোকবিলাকে নিজকে ভাল বুলি ভাবি বাপ্তিস্ম লবলৈ আহোঁতে, যোহনে তেওঁবিলাকক কি কৈছিল?
- তেওঁলোকৰ পাপ স্বীকাৰ কৰিবলৈ আহোঁতে, যোহনে তেওঁলোকৰ নিমিত্তে কি কৰিলে?



হেৰুৱা মেৰৰ দৃষ্টান্ত চাওক, লূক ১৫ঃ১-১০, দূতবিলাকে স্বৰ্গত কিয় আনন্দ কৰিছিল।

কিছুমান পালকে জোৰকৈ মন পালটন কৰিবলৈ পাপী লোকক ভয় দৰ্শাইছিল। উত্তম ভাবে এই কাম কৰা বিষয়ে এই কাহিনীত যীচুৱে বৰ্ণনা কৰিছে ঃ

- ধৰি লওক আপুনি হেৰাই যোৱা এটা ‘মেৰ’, কিন্তু সজ মেৰৰখীয়াই আপোনাক পালে।



- তেওঁ আপোনাক মৰমেৰে কোলাত তুলি জাকলৈ, তেওঁৰ লোকবিলাকৰ মাজলৈ লৈ আনিছে।
- তেওঁ আপোনাক ধমকি আৰু শাস্তি বিহিব বুলি আপুনি ভয় কৰে কিন্তু তেওঁৰ মুখত কেৱল প্ৰেম আৰু আনন্দহে দেখা পোৱা যায়।
- সোনকালে বা পলমকৈ আমি আটাইয়ে অপথে যাওঁ, কিন্তু অপথে যোৱা মেৰৰ মূল্য যীচুৰ ওচৰত অতি অধিক।
- মেৰৰখীয়াই অপথে যোৱা মেৰক বিচাৰি নোপোৱালৈকে আন মেৰবিলাকক এৰি থাকিবলৈ ইচ্ছুক।
- আমি বিপথে গলেও যীচুৱে আমাক ভাল পায়, তেওঁ আমাক ইমান ভাল পায় যে তেওঁ আমাৰ কাৰণে মৰিল, ৰোমীয়া ৫ঃ৮।

- পাপীক অনুতাপৰ কাৰণে আহ্বান কৰা আৰু অপথে যোৱা বিশ্বাসীসকলক উদ্ধাৰ কৰাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ হৈছে, তেওঁলোকক প্ৰেম কৰা, নহয় যে আমি কোনো অনুশাসন সম্পৰ্কীয় কাম কৰিম।
- এটি লৰাক আপুনি খঙেৰে শাসন কৰিব খুজিলে, সি খঙেৰে সহাঁৰি দিব। যদি আপুনি মৰমেৰে শাসন কৰে, সি তাক শিকিব।
- যদি আপোনাৰ জাকৰ কোনো এগৰাকী সভ্য-সভ্যা বিপথে যায়, তেওঁক অনুশাসনলৈ অনালৈ আপোনাৰ উদ্দেশ্য হব লাগিব, শাস্তি বিহা নহয়।
- পাঁচনি পৌলে গালতীয়া ৬ঃ১ পদত কৈছে, "হে ভাইবিলাক, কোনো মানুহ যদি কোনো অপৰাধত পৰে, তেন্তে আত্মিক যি তোমালোক, তোমালোকে মৃদুশীল আত্মাৰে তেনেকুৱা জনক আকৌ সুস্থ কৰা; পাছে জানো তুমিও পৰীক্ষাত কৰা, এই কাৰণে নিজক চাবা।"
- কেতিয়াবা আমি কোনো জনক ৰক্ষা কৰিবলৈ কিবা এক সাংঘাটিক পদক্ষেপ লোৱা উচিত, কিন্তু আমি সদায় মৰমেৰে কৰা উচিত।

২। **সপ্তাহটোত কৰিবলগীয়া কামৰ আঁচনি সহ-কৰ্ম্মীসকলৰ লগত কৰক।**

খ্ৰীষ্টৰ প্ৰয়োজন থকা বন্ধুবৰ্গক পৰিদৰ্শন কৰক আৰু ঈশ্বৰে যে তেওঁলোকক প্ৰেম কৰে, তেওঁলোকৰ পাপ ক্ষমা কৰে, আৰু তেওঁলোকলৈ নতুন প্ৰকৃত পবিত্ৰতা আৰু আনন্দৰ অনন্ত জীৱন আনিব খোজে তাৰ বৰ্ণনা কৰক।

অপথে যোৱা যিকোনো বিশ্বাসী সকলক পৰিদৰ্শন কৰক। গালতীয়া ৬ঃ১ পদত কোৱাৰ দৰে তেওঁলোকক উদ্ধাৰ কৰক।

- তেওঁলোকৰ মন পালটন সোঁৱৰণ কৰাত মৰমেৰে সহায় কৰক।
- ঈশ্বৰক তেওঁলোকৰ পাপময় জীৱন দোষী সাব্যস্ত কৰিবলৈ দিছে নে নাই বিচাৰ কৰক।
- ঈশ্বৰৰ মহান প্ৰেম বুজিছে নে নাই বুজ লবলৈ চেষ্টা কৰক।
- তেওঁলোকৰ জীৱন ৰূপান্তৰ কৰিবলৈ তেওঁলোকৰ লগত প্ৰাৰ্থনা কৰক।

৩। **হবলগীয়া উপাসনাৰ আঁচনি আপোনাৰ সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

বৰ্ত্তমানৰ প্ৰয়োজন আৰু থলুৱা ৰীতি-নিয়মত খাব খুউৱা কামবোৰ বাচি লওক।

যোহন বাপ্তাইজকৰ কাহিনীটো চাওক, অথবা নাট কৰক, লূক ৩ঃ১-১৮। ১ম খণ্ডত আপুনি কি পালে প্ৰশ্ন কৰক।

হেৰুৱা মেৰৰ দৃষ্টান্তটো চাওক অথবা নাট কৰক। যীচুৱে যে লোকবিলাকক মন পালটনৰ বাবে, আৰু অপথে যোৱা মেৰক ঠিক কৰাৰ বাবে আমাক আমন্ত্ৰন কৰিবলৈ কৈছে, ১ম খণ্ডৰ পৰা ব্যাখা কৰক।

**বৰ্ণনা** কৰক, আমাৰ পৰিত্ৰানৰ অৰ্থে মানুহে কি কৰে, আৰু ঈশ্বৰে কি কৰে ঃ

- তেওঁ মন পালটন কৰিব লাগিব, সেয়ে অন্তৰ সলনি হব আৰু ঈশ্বৰত বিশ্বাস কৰিব লাগিব *(যোহন ৩ঃ১-৮)।*
- বিশ্বাসীবিলাকক ঈশ্বৰে ক্ষমা কৰে আৰু তেওঁৰ সন্তানৰূপে চিৰকালৰ নিমিত্তে মোহৰ মাৰে। আৰু তেওঁৰ পবিত্ৰ আত্মাই আমাক আত্মিক পূৰ্ণজন্ম দিয়ে *(ইফিচীয়া ১ঃ১৩-১৪)।*

প্ৰভুৰে ভোজ স্থাপন কৰিবলৈ লূক ৩ঃ৪-৭ পদ পঢ়ক, ইয়াত লোকবিলাকে আহি যোহন বাপ্তাইজকৰ আগত তেওঁলোকৰ পাপবোৰ স্বীকাৰ কৰিছে।

ব্যাখা কৰক যে প্ৰভু ভোজ গ্ৰহন কৰোঁতে আমি বিশ্বাসী সকলে কৰাৰ দৰে এইয়ে হয়, আমি নিজকে পৰীক্ষা কৰোঁ আৰু ঈশ্বৰৰ আগত আমাৰ পাপবোৰ স্বীকাৰ কৰোঁ। ১ কৰিন্থীয়া ১১ঃ২৮।

চক্কেয়ৰ বিষয়ে নাট খন ল'ৰা ছোৱালীক পৰিবেশন কৰিবলৈ দিয়ক। নাটৰ পিছত বয়সীয়া সকলক সুধিবলৈ তেওঁলোকে হয়তো প্ৰশ্ন যুগুত কৰিছে।

আমাৰ পূৰ্নজন্মত মানুহৰ ভাগ আৰু ঈশ্বৰৰ ভাগ-বৰ্ণনা কৰক।

- আমাৰ ভাগ ঃ অনুতাপ (আমাক ক্ষমা কৰিবলৈ আৰু আমাৰ অন্তৰ সলনি কৰিবলৈ ঈশ্বৰত বিশ্বাস কৰক)। ৰোমীয়া ১২ঃ২।
- ঈশ্বৰৰ ভাগ ঃ আমাত নতুন জীৱন দান আৰু তেওঁৰ সন্তান স্বৰূপে আমাক চিৰকালৰ নিমিত্তে মোহৰ মাৰা, ১ পিতৰ ১ঃ৩ ; ইফিচীয়া ১ঃ১১-১৪।
- যাকোব ২ঃ১৪-২৩ পদ পঢ়ক। এতিয়া সোধক ঃ
- যাকোবে কি দুই প্ৰকাৰৰ বিশ্বাস উল্লেখ কৰিছে ঃ
- সোধক ঃ কিহে দুই প্ৰকাৰৰ বিশ্বাসৰ প্ৰভেদ কৰে ? *(ঈশ্বৰে এনে বিশ্বাস বিচাৰে যিহে পৰিবৰ্ত্তন জীৱন আৰু ভাল ফল হয়। অনুতাপ নোহোৱাকৈ আৰম্ভ হোৱা বিশ্বাসৰ প্ৰতি সাৱধান হওক। যাকোবে কৈছে ভুতবোৰেও বিশ্বাস কৰে আৰু ভয়ত চিঞৰে!)*
- The Devil **Whispers in a New Shepherd's Ears** এই পদ্যটি পঢ়ক। (পদ্যটি অনুবাদ কৰিলে, আপুনি তাৰ পদৰ মিল নাৰাখিলেও হব।)

মিছলীয়াই কাঁড় উৰাৰ উদ্দেশ্য কৰে! ই হিংসাৰ চতুৰ মিছা কঢ়িয়ায়! এইবোৰ জুই যেন শেলৰ বাৰ্ত্তা ? সিঁহতৰ অন্তৰত যদি খ্ৰীষ্ট আছেনে নুসুধিব!

"অনুগ্ৰহ কেৱল প্ৰতিজ্ঞা কৰক, ঈশ্বৰৰ নিয়ম পাহৰক, আপোনাৰ ঠাইখিনি পূৰ হোৱা যিকোনো কথা কওক!

তেওঁলোকে অনুতাপ কৰা উচিত আৰু স্বৰ্গৰ পৰা পঠোৱা জনক জনা বুলি উল্লেখ নকৰিব।

"বিতুষ্ট নকৰিব বা চকুলো নানিব, খজুৱাই থকা কানবোৰ কেৱল আহলাদিত কৰক, আৰু উদং, ফলহীন বিশ্বাস প্ৰস্তাৱ কৰক ঃ যি মই নিজেও আনকি গ্ৰহণ কৰোঁ।

**সোধক,** মানুহক অনুতাপ কৰিবলৈ ঈশ্বৰে কিদৰে সহায় কৰিলে, তেওঁলোকক সাক্ষী দিবলৈ কওক।

এগৰাকী যুৱতীৰ এটা উদাহৰণ চাওক। "বহু বছৰ মই এগৰাকী গুৰুৰ অনুগামী, যিজন আশ্ৰমত থাকে আৰু সংস্কৃতত শ্লোক মাতে। মই মোৰ নিজৰ সত্যতা বিচাৰি মৃতপ্ৰায় হৈছিলোঁ। এদিনাখন মই জানিলোঁ যে মই এজনী আশা নথকা নিজকে ৰক্ষা কৰিব নোৱাৰা পাপী আৰু যীচুৱে যে মোক ভাল পায় আৰু মোক ৰক্ষা কৰিব পাৰে। মই শক্তিহীন দেৱতাবোৰক ত্যাগ কৰিলোঁ, মোৰ পাপ অবিশ্বাসৰ ক্ষমা মাগিলোঁ, আৰু যীচুক মোৰ জীৱন দিলোঁ।

**মুখস্থ কৰক,** মাৰ্ক ১ঃ৫ পদ।

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net